# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-FEB-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

### HEADLINES (5-15 PM)

::::::::::::::::::

১। সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত গুৱাহাটীত নিৰ্বাচন আয়োগৰ দল আৰু ৰাজ্য চৰকাৰৰ প্ৰশাসনিক বিষয়া, জিলা নিৰ্বাচনী বিষয়াৰ মাজত গুৰুত্বপূৰ্ণ বৈঠক।

২। জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰ অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি।

৩। হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে জিলাই জিলাই প্ৰস্তুতি সম্পূৰ্ণ।

**আৰু**

৪। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত কেৰালাক হৰুৱাই চাৰ্ভিচেছৰ খিতাপ অৰ্জন।

ooooo

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত নিৰ্বাচন আয়োগৰ এটা দলে আজি গুৱাহাটীত ৰাজ্য চৰকাৰৰ প্ৰশাসনিক বিষয়া তথা জিলা নিৰ্বাচনী বিষয়াসকলৰ সৈতে কেইবালানি আলোচনাত মিলিত হয়। উপ-নিৰ্বাচন আয়ুক্ত মণিষ গাৰ্গ নেতৃত্বাধীন চাৰিজনীয়া দলটোৱে প্ৰথমে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনাত ভাগ লয়। বৈঠকত অতিৰিক্ত মুখ্য নিৰ্বাচনী বিষয়াকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে। এই আলোচনাৰ পাছতে দলটোৱে ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্ত আৰু নিৰ্বাচনী বিষয়াসকলৰ সৈতেও সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে বিশদভাৱে আলোচনা কৰে। দলটোৱে ৰাজ্য চৰকাৰৰ মুখ্যসচিব, আৰক্ষী সঞ্চালক প্ৰধান, অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহা পৰিদৰ্শক, প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, কেন্দ্ৰীয় অৰ্ধ সামৰিক বাহিনী, সীমান্ত সুৰক্ষা বাহিনী আৰু অন্য নিৰাপত্তাৰক্ষী সংস্থাসমূহৰ সৈতে সুৰক্ষাৰ বিষয়লৈ আলোচনা কৰে। অহা ১৭ ফেব্ৰুৱাৰীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীৰে গঠিত আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহি ৰাজ্যখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিৰ বুজ ল'ব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে।

ooooo

জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰ তিনিদিনীয়াকৈ অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰিব। আজি ধৰ্ম ধবজ্জা উত্তোলনৰ পাছতে ভাগৱত যাত্ৰা উলিওৱা হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰে হংসযানত উঠি শোভাযাত্ৰাত অংশগ্ৰহণ কৰে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনত কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত তিনিদিনীয়াকৈ বিকশিত ভাৰত শীৰ্ষক সংহত যোগাযোগ আৰু প্ৰচাৰ কাৰ্যসূচীৰ লগতে মাল্টিমিডিয়া প্ৰদৰ্শনীৰ আয়োজন কৰা হয়।

০০০০০

সমাগত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে জিলাই জিলাই প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। চিৰাং জিলা শিক্ষা বিভাগে পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলাখনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি পৰীক্ষাৰ্থীসকলক পৰীক্ষাগৃহলৈ ম'বাইল ফোন বা আন ইলেক্ট্ৰনিক সামগ্ৰী নিয়াৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে। পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পৰীক্ষাৰ্থী আৰু পৰীক্ষাৰ কামত নিয়োজিত লোকৰ বাহিৰে পাঁচজনতকৈ অধিক লোক সমবেত হ'ব নোৱাৰিব। পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত এই নিষেধাজ্ঞা বাহাল থাকিব। উল্লেখযোগ্য যে চিৰাং জিলাৰ ১৩ টা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু ১০ টা কেন্দ্ৰত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈক এগৰাকী পাকিস্তানী এজেণ্ট বুলি অভিযোগ  কৰিছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংসদ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানৰ নাগৰিক আলি তৌকিৰ শ্বেখ নামৰ এজন লোকৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে বুলি অভিযোগ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, এই সম্পৰ্কে তেওঁৰ হাতত ভালেমান প্ৰমাণ আছে। অসম আৰক্ষীৰ দ্বাৰা গঠিত এছ আই টিৰ প্ৰতিবেদনৰ আধাৰত চি আই ডিত এই সম্পৰ্কত এটা গোচৰো ৰুজু কৰা হৈছে বুলি তেওঁ কয়। বিষয়টোৰ গুৰুত্বলৈ লক্ষ্য ৰাখি এই প্ৰতিবেদন কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। এছ আই টিৰ প্ৰতিবেদনৰ আধাৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই যোৱা সময়ছোৱাত সাংসদ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তান ভ্ৰমণ আৰু পাকিস্তানৰ নাগৰিকৰ সৈতে কৰা যোগাযোগৰ কেতবোৰ গুৰুত্ব পূৰ্ণ তথ্য সংবাদমেলত সদৰি কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত অহা ১০ ফেব্ৰুৱাৰীৰ পৰা ১৯ ফেব্ৰুৱাৰীলৈ ফাইলেৰিয়া নিৰ্মূলকৰণ ঔষধ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিশ্বনাথ জিলা চিকিৎসা বিভাগৰ অন্তৰ্গত বিশ্বনাথ আৰু বিহালীত প্ৰতিবছৰৰ দৰে এইবাৰো ফাইলেৰিয়া ৰোগৰ ঔষধ বিতৰণৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত কালি জিলা মেলেৰিয়া বিষয়া ডাঃ এলিজা ডেকাই এখন সংবাদমেলৰ আয়োজন কৰে। বিষয়াগৰাকীয়ে সংবাদমেলৰ এই ৰোগৰ বিষয়ে সবিশেষ প্ৰকাশ কৰি জনসাধাৰণক ইয়াৰ প্ৰতিষেধক গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

বাইট

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ডিমা হাচাও জিলাত অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ জমা দিবলৈ ডিমা হাচাও জিলা প্ৰশাসনে নিৰ্দেশ জাৰি কৰিছে। হাফলং বিধানসভা সমষ্টিত শান্তি-শৃংখলা বজাই ৰাখিবলৈ জিলা আয়ুক্তগৰাকীয়ে এই নিৰ্দেশ দিয়ে। বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ বাহিৰে সকলো অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ নিকটৱৰ্তী আৰক্ষী থানাত জমা দিবলৈ নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ – বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়াই আজি বৰপেটাৰ বাৰাদিত অত্যাধুনিক ক্ৰিকেট ষ্টেডিয়াম আৰু একাডেমী উদ্বোধন কৰে। অসম ক্ৰিকেট সন্থাই প্ৰায় ৩৩ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা এই প্ৰকল্পত অনুশীলনৰ বাবে ১০ খন উইকেট ক্ষেত্ৰ আছে। ক্ৰিকেট একাডেমীখনত বৰ্তমান ২৫ জন খেলুৱৈ থাকিব পৰা হোষ্টেলৰ ব্যৱস্থা কৰা হৈছে। অহা ছমাহৰ ভিতৰত ১০০ জন খেলুৱৈ থাকিব পৰা হোষ্টেলৰ

নিৰ্মাণ সম্পূৰ্ণ হ'ব বুলি বি চি চি আইৰ সচিবগৰাকীয়ে প্ৰকাশ কৰিছে। শ্ৰী শইকীয়াই কয়, যে এই ক্ৰিকেট ষ্টেডিয়ামে খেলুৱৈসকলৰ প্ৰতিভা বিকাশত যথেষ্ট সহায় কৰিব। তেওঁ লগতে কয়, যে অসম ক্ৰিকেট সন্থাই সমগ্ৰ ৰাজ্যতে ছখন একাডেমী নিৰ্মাণৰ পৰিকল্পনা কৰিছে।

00000

ঢকুৱাখনা আৰু চিলাপথাৰত অনুষ্ঠিত ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত চাৰ্ভিচেছে চেম্পিয়নৰ সন্মান অৰ্জন কৰিছে। আজি অনুষ্ঠিত ফাইনেলত চাৰ্ভিচেছ দলে কেৰালাক ১-০ গ'লত পৰাস্ত কৰে। নিৰ্ধাৰিত সময়ত গ'ল শূন্যভাৱে সামৰণি পৰা খেলখনৰ অতিৰিক্ত সময়ৰ ১০৯ মিনিটত চাৰ্ভিচেছৰ হৈ অভিষেক পাৱাৰে একমাত্ৰ গ'লটো দিয়ে।

00000

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথমখন খেলত নিউজিলেণ্ডে আফগানিস্তানক ৫উইকেটত পৰাস্ত কৰে। খেলখনত জয়ৰ বাবে প্ৰয়োজন হোৱা ১৮৩ ৰান নিউজিলেণ্ডে ১৩ টা বল বাকী থকা অৱস্থাত পাঁচটা উইকেট হেৰুৱাই সংগ্ৰহ কৰি লয়। দলৰ হৈ টীম ছেইফাৰ্টে ৬৫ আৰু গ্লেন ফিলিপছে ৪২ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে আফগানিস্তানে প্ৰথম বেট ধৰি নিৰ্ধাৰিত অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৮২ ৰান সংগ্ৰহ কৰে। ইপিনে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ দ্বিতীয়খন খেলত ইংলেণ্ডে নেপালক জয়ৰ বাবে ১৮৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। একেদৰে সন্ধিয়া ৭ বজাত কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত হ'বলগীয়া আজিৰ তৃতীয়খন খেলত শ্ৰীলংকাই আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলিব।

00000

স্পেইনৰ আলিকাণ্টেত অনুষ্ঠিত বক্সাম এলিট ইণ্টাৰনেচনেল বক্সিং প্ৰতিযোগিতাত লাভলীনা বৰগোহাইয়ে ৭৫ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰিছে। অলিম্পিক পদক জয়ী তাৰকা খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ মেৰী স্মিথক পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। কালি অনুষ্ঠিত ছেমিফাইনেলত লাভলীনাই - ৱেলছৰ ৰজি একল্‌ছক ৫-০ পইণ্টত পৰাস্ত কৰে।

00000

বৰপেটা জিলাৰ সৰভোগৰ নিবাসী প্ৰবীণ নেতা মনোৰঞ্জন ভূঞাৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯১ বছৰ। বৰপেটা জিলাৰ ৰূপসী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মনোৰঞ্জন ভূঞা অসমৰ শ্ৰমিক আন্দোলনৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত আছিল।

00000

সমাপ্ত